ফেৰিখন বৈ গ'ল। কাঠৰ তক্তাখনেদি মানুহবোৰ হুৰমূৰকৈ যাবলৈ ধৰিলে। তাই ট্ৰলি বেগ এটা চোঁচৰাই হেফো-তেফো কৰি যাবলৈ ধৰিছে। মোৰ গাড়ীখন থাকিল দুখন গাড়ীৰ পাছত। নহ'লে মই লাজ-মান কাটি কৰি ক'লোঁহেঁতেন; চাওঁ বেগটো মোক দিয়ক। বাছবিলাক যাবলৈ ধৰিলেই। তাই বাছ ধৰিব নোৱাৰিলেই মোৰ ভাল লাগিব। মোৰ আগৰ গাড়ীখন পাৰ হ'বলৈ ধৰিছে। নদী নোহোৱা হ'লে মোৰ গাড়ীখন উৰুৱাই নিলোঁহেঁতেন! মোৰ গাড়ীখন পাৰ পাওঁতে দেখিলোঁ তাই ইতিমধ্যে জীপ গাড়ী এখনত উঠিছে। ল'ৰা এজনে বেগটো উঠাই দিছে। সীতা গুচি গ'ল। গড়মূৰলৈকে খীণ আশা এটা কৰি গাড়ী এৰি দিলোঁ। ধূলিৰে গোটেইখন পোত খাই গৈছে। আগৰ গাড়ীবোৰ মাজে মাজে নেদেখা হয়। মোৰ উদ্দেশ্য জীপখনক অনুসৰণ কৰা। মোৰ দেৰি হ'লেও কোনো কথা নাই। ধেমাজিৰ নগৰ অঞ্চলতে মোৰ মাহীৰ ঘৰ। ৰাতি পালেগৈয়ো কোনো কথা নাই। যিকোনো প্ৰকাৰে সীতাৰ সন্ধান উলিয়াম; ঘূৰি আহোঁতে হ'লেও।

গড়মূৰ চাৰিআলিত জীপখন ৰখালে। ময়ো অলপ পাছতে মোৰ গাড়ীখন ৰখালোঁ। গাড়ীখনৰপৰা ল'ৰাজন নামি গৈ মিঠাইৰ টোপোলা এটা লৈ আহিল। তাই গাড়ীতে বহি ৰ'ল। ময়ো নামি হোটেলখনত সোমাব খোজোঁতেই জীপখন ধূলি উৰুৱাই গুচি গ'ল। মই যে সীতা বুলি ভাবি আছোঁ! তাইৰ বা নাম কি, তাই বা মনত কাক লৈ ফুৰিছে? সীতা ... ভাওনা ... দিব্য ... বহুত কথা ... বহুত ... কথা। চাহ একাপ খাই পইচা দিওঁতে মেনেজাৰজনক কোনো সংকোচ নকৰাকৈ সুধি পেলালোঁ। এই যে এতিয়া মিঠাই লৈ গ'ল ল'ৰাজন আপুনি চিনি পায় নেকি?"

"পাওঁ ... পাওঁ; আমি একে ঠাইৰে মানুহ, কিয় নাপাম ...। মই ৰতন ভূঞা; এই সৰু সত্ৰতে ঘৰ। এই হোটেলখনকে চলাই ভাতমুঠি খাই আছোঁ আৰু।"

"অ' আপোনাৰ নিজৰ হোটেল তেনেহ'লে? হয়! পিছে আপোনাক নতুন যেন লাগিছে এই ঠাইত।"

"হয়! মই অনুপম বৰুৱা। যোৰহাটত ঘৰ। চাকৰি সূত্ৰে মই মুম্বাইত থাকোঁ। তাতে মাল্টি নেশ্যনেল কোম্পানি এটাত ছফটৱেৰ ইঞ্জিনিয়াৰ।"

দুয়োজনে হাত আগবঢ়াই কৰমৰ্দন কৰিলোঁ।

"বুজিছে ভূঞাদা; মেট্ৰিক পৰীক্ষা দিয়ে শেষবাৰৰ বাবে ধেমাজিৰ মাহীৰ ঘৰলৈ যোৱা। এয়া কেইবাবছৰৰ মূৰতহে আহিছোঁ। সৰুতে মাহঁতৰ লগত অহা-যোৱা কৰিছিলোঁ; হয়তো ইয়াতে নামি ক'ৰবাত চাহো খাইছোঁ। অ' শুনক আচল কথা ক'বলৈকে পাহৰিছোঁ। ভূঞাদা আপুনি মোক তুমি বুলি ক'ব।"

"ঠিক আছে, বাৰু শুনা অনুপম। সেই মিঠাই লোৱা ল'ৰাজন হ'ল নিবিড় ভূঞা; ইয়াৰে কলেজ এখনত লেকচাৰাৰ সোমাইছে আৰু গাড়ীত বহি থকা ছোৱালীজনী তেওঁৰ ভনীয়েক নিশিতা। তাই ডিব্ৰুগড় ইউনিভাৰ্ছিটিৰপৰা এম এ ফাইনেল দিছে। সৌ গোপালপুৰত ঘৰ। বৰ জাকত জিলিকা ছোৱালী বুজিছা! তাই ৰাসত ৰাধা নাচোঁতে মানুহ থৰ হৈ যায়। পিছে কি হ'ল জানা অনুপম! এবাৰ তাইৰ টাইফয়ড জ্বৰ হৈ অৱস্থা কাহিল হৈছিল। তেতিয়াৰেপৰা তাই আৰু ৰাধাৰ ভাও লোৱা নাই।"

"এতিয়া মই গৈ থাকোঁ দিয়ক। নহ'লে ৰাতিয়ে হ'ব। বৰ ভাল লাগিল আপোনাৰ লগত চিনাকি হৈ।"

"মোৰো বৰ ভাল লাগিল। তোমাৰ দৰে এজন ডেকা ইঞ্জিনিয়াৰক লগ পাই। ঠিক আছে যাওঁতে চাহ একাপ খাই যাবা। এইবাৰ আকৌ চাহৰ পইচা নলওঁ দেই ...।"

গাড়ীৰ ওচৰ পাই উভতি আহি মই ৰতন ভূঞাৰ ফোন নম্বৰটো ল'লোঁ।

গাড়ীখন ষ্টাৰ্ট কৰি মোৰ মুখৰপৰা ভৰিলৈকে বিজুলী মাৰিবলৈ ধৰিল। কি আশ্চৰ্যজনক কথা! নিশিতা ... নিশিতা ... সীতা ... সীতা। এইবাৰ চাগৈ ভগৱানে মোৰ প্ৰাৰ্থনা শুনিলে। নহ'লে কেতিয়াও কথাবোৰৰ ইমান মিল হ'ব নোৱাৰে। গাড়ীখন ৰখাই মই এক মিনিটমান প্ৰাৰ্থনা কৰাৰ ভংগীতে থাকিলোঁ। 'কি ঠিক মোৰ কাৰণে ভূঞাদাও এতিয়া ভগৱান হ'ব পাৰে।' মই মনৰ ভিতৰতে নিজকে কোৱাদি ক'লোঁ।

ভূঞাদা ... যাওঁতে আপোনাৰ হোটেলত চাহেই নহয়, ভাতো খাম; দৰকাৰ হ'লে আপোনাৰ ঘৰলৈও যাম আৰু ... আৰু দৰকাৰ হ'লে আপোনাৰ ঘৰত ৰাতিটো থাকিম।

ধেৎ তেৰি! ককায়েকটো নহা হ'লে ময়ে তাইক আনিলোঁহেঁতেন, মাহীৰ ঘৰলৈ অনা বিভিন্ন মিঠাইৰ টোপোলাৰ দুটামান তাইৰ হাতত দি ঘৰৰ পদূলিত নমাই আহিলোঁহেঁতেন ... হেঁতেন ..., ধেৎ এই হেঁতেনবিলাকৰ একো অৰ্থই নাই। মই গাড়ীৰ স্পিড বঢ়াই দিলোঁ। কিমান যে কল্পনা তাৰ মনলৈ আহিল। সীতাক যদি নিজৰ কৰি পাই যাওঁ, মুম্বাইলৈ নি কিমান সুখত ৰাখিম, হনিমুন কৰিবলৈ পেৰিছলৈ যাম, সাগৰৰ পাৰত সদায় এপাক ফুৰাম, ক'ত ক'ত খাম তাৰ পাছত তাৰ পাছত কৈ মোৰ কল্পনাৰ শেষেই নোহোৱা হ'ল।

মোৰ মনৰ ভিতৰত সীতা কেতিয়াৰপৰা শিপাবলৈ ধৰিলে তাকে ভাবি যাবলৈ ধৰিলোঁ। উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ পাছত মোৰ লগৰ আটাইতকৈ প্ৰিয় বন্ধু হৰ্ষিতে তাহাঁতৰ ঘৰলৈ দুদিনমান থকাকৈ লগ ধৰিলে। বহু দিনৰপৰা লগ ধৰি আছিল। হৰ্ষিতৰ ঘৰ সৰুপথাৰত। যোৰহাটৰ মোমায়েকৰ ঘৰত থাকি পঢ়ে। দেউতাক-মাকে ক'তো তাক অকলে এৰা নাই; কিন্তু ককাকক বুজাই-বঢ়াই দেউতাকক সন্মত কৰালে। সিহঁত দুয়োটাকে কোনে পায় আৰু!

আমি দুয়োটা গৈ পাওঁতে সাঁজ লাগোঁ লাগোঁ। হৰ্ষিতৰ গাঁওখন দেখোন তেনেই উদুলি-মুদুলি। হৰ্ষিতহঁতৰ নামঘৰত ভাওনা সবাহ। হৰ্ষিতহঁতৰ ঘৰত তেনেই উথপথপ লাগিছে। হৰ্ষিতৰ লগৰ নগৰীয়া বন্ধু আহিছে। সকলোৱে আলৌ-অধৌ কৰিবলৈ ধৰিলে।

সোনকালে ভাত-পানী খাই সকলোৱে ভাওনা চাবলৈ ওলাল। মই ভালেই পালোঁ। সৰু থাকোঁতেই যি মামাহঁতৰ ঘৰত আইতাহঁতৰ লগত ভাওনা চাইছিলোঁ। 'সীতা হৰণ বালি বধ'। ৰাৱণে সীতাক যেতিয়া হৰণ কৰি নিছিল, টনাটনি কৰোঁতে সীতাৰ চুলিকোছা সুলকি পৰি গৈছিল। ওচৰতে বহা দুষ্ট ল'ৰাকেইটামানে চুলিকোছা দাঙি লৈ মুখেৰে খোলৰ বাজনা বজাই এপাক ঘূৰাই ফুৰাইছিল। মানুহবোৰে কিৰীলি পাৰি হাঁহিছিল। মই একো বুজি নাপাই আইতাক সুধিছিলোঁ—সীতাৰ চুলি কিয় পৰি গৈছিল? তেতিয়া আইতাই বুজাই দিছিল যে এইজন এজন মতা মানুহ। মাইকী মানুহে ভাওনাত ভাও নলয় নহয়, সোণগুটি! সেইকাৰণে মাইকী ভাও ল'লে কিনা চুলি লগাই লয়। সেইখিনিক 'চেংচুলি' বুলি কয়। কিয় জানো; তাৰ মাইকী ভাৱৰীয়াবোৰ অকণো ভাল লগা নাছিল। গালৰ হনু ওলোৱা কিবা বয়সিয়াল যেন লগা। কিন্তু তাৰ মনত 'চেংচুলি' শব্দটোৱে বাৰুকৈয়ে প্ৰভাৱ পেলালে। ভাওনাৰ কথা ওলালেই মোৰ চেংচুলিলৈ মনত পৰে। চুলিকোছা খুলি পৰাৰ পাছৰ অদ্ভুত মুখমণ্ডললৈ মনত পৰিলে মোৰ মনটো কুমজেলেকুৱাত নিমখ দিয়াৰ দৰে হৈ যায়।

আচৰিত! আজিও 'সীতা হৰণ বালি বধ' ভাওনা। কিন্তু তাহানি আৰু এতিয়াৰ আকাশ-পাতাল প্ৰভেদ। বহুত উন্নত হ'ল। সুন্দৰ দৃশ্য-সজ্জা, বিজুলী-বাতিৰ চমকনি। সীতাৰ প্ৰৱেশৰ লগে লগে মই পলক নেপেলোৱাকৈ চাবলৈ ধৰিলোঁ। ভাওনাখন বোলে সদৌ অসম ভাওনা প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ পোৱা। সীতাজনী যে ইমান সুন্দৰী, দেৱী-প্ৰতিমাৰ নিচিনা। ক'ৰ ছোৱালী বাৰু তাই। হৰ্ষিতক কালিলৈ